# ডিব্ৰুগড় কংগ্ৰেছৰ মহিলা সভাৰ সম্পাদিকা আৰু মালব্যজীৰ উৎসাহ

ডিব্ৰুগড়ত ৰজনীকান্ত বৰুৱা, লক্ষেশ্বৰ বৰুৱা, গণেশ দত্ত আদি কৰি বহুত লোকক জেললৈ নিলে। মই সেই সময়ত ডিব্ৰুগড়ত মহিলা শাখাৰ সম্পাদিকা হিচাপে মহাত্মাৰ প্ৰচাৰ কাৰ্য্যত আত্মনিয়োগ কৰিছিলোঁ। ককাইদেউ ৰজনীকান্ত বৰুৱাক জেললৈ নিয়াৰ দিনা আমাৰ ঘৰত কোনো পুৰুষ মানুহেই নাছিল। ককাইদেৱে কনক চন্দ্ৰ বৰুৱাক (বৰ্ত্তমানৰ ডাক্তৰ কনক চন্দ্ৰ বৰুৱা) আমাৰ ঘৰৰ ফালে চাবলৈ কৈ গৈছিল। কেইদিন-মানৰ পিচত কনককো জেললৈ নিলে। কনকৰ ভায়েক যজ্ঞেশ্বৰ বৰুৱাই আমাৰ ঘৰত থকা কৰিলে। যজ্ঞেশ্বৰ বৰুৱাক আমি 'ধন' বুলি মাতিছিলো। তেওঁ সম্বন্ধত মোৰ ভাই আছিল, তেওঁ ভুবনেশ্বৰ বৰুৱাৰ নুমুলীয়া ভায়েক আছিল, তেওঁ কংগ্ৰেছৰ কামত যোগ দিছিল।

এদিন ৰাতিপুৱা শুই উঠি দেখিবলৈ পালো আমাৰ ঘৰৰ চাৰিওফালে হাতত বন্দুক, লাঠী লৈ পুলিচে ঘেৰাও কৰি ৰাখিছে। দুৱাৰ খুলি বাহিৰলৈ যোৱাৰ কাৰো সাধ্য নাই। আঠমান বজাত দাৰোগা আহি দেউতাৰ কথা সুধিলেহি। দেউতা ঘৰত নাছিল, মাকুমত আছিল। ধনে মোক কলেহি যে ঘৰৰ ভিতৰৰ পৰা যদি দাৰোগাৰ লগত কথা কোৱা কোনোবা আছে কব

পাৰে, নহলে ভিতৰলৈ পুলিচ সোমাই ঘৰ তালাচ কৰিব, ইয়াত বাধা দিব নোৱাৰে। পুলিচে ঘৰৰ ভিতৰলৈ সোমোৱাৰ আগ-ন্তুক দেখি মই সাহসত ভৰ কৰি ওলাই আহি দাৰোগাক ক'লো সেই ঘৰ পুলিচে খানাতালাচ কৰিব নোৱাৰে, ঘৰ দেউতাৰ তেখেত ঘৰত নাই,, ঘৰ ককাইদেউৰ নহয়। দাৰোগাজনে মোৰ লগত বহুত তৰ্ক কৰিলে, মই কোনোমতেই ঘৰত সোমাবলৈ নিদিলো, দেউতাৰ ঘৰত পুলিচে কেতিয়াও সোমাব নোৱাৰে বুলি ক'লো। অৱশেষত দাৰোগাই ঘৰত নোসোমাই, পুলিচবিলাকক লৈ গ'ল। পিচত দাৰোগাজনে দেউতা যেতিয়া ঘৰত আছিল সকলো কথা দেউতাক জনাইছিল, আৰু কৈছিল, "আপোনাৰ জীয়েকেই আপোনাৰ ঘৰ সেইদিনা ৰক্ষা কৰিলে।"

দেউতাই কংগ্ৰেছত যোগদান কৰা নাছিল। ককাইদেউ আৰু মই কংগ্ৰেছত যোগদান কৰি অসহযোগ আন্দোলনত লগাৰ কাৰণে দেউতাই বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰা কথা শুনিব লগাত পৰিছিল। দেউতাই কৈছিল, মোৰ লৰা-ছোৱালীয়ে নিজৰ ওপৰত নিৰ্ভৰশীল হৈছে, সিহঁতক মই কেনেকৈ মহাত্মাৰ আন্দোলনত যোগদান কৰাত বাধা দিব পাৰোঁ? দেউতাৰ ওপৰৰ চাহাবজনে টানকৈ কিবা কথা কোৱাত দেউতাই তেওঁক কথা শুনাই কামলৈ নাযায় বুলি গুচি আহিল। কিন্তু পিচত দেউতাৰ ওচৰত ক্ষমা খোজাত কাম এৰা নহল। দেউতাই নিজে কংগ্ৰেছত যোগদান নকৰিছিল যদিও আমি কংগ্ৰেছত কামত লগাত আমাক কেতিয়াও একো নকৈছিল। আমাৰ আয়েও দেউতাৰ দৰেই সহানুভূতিৰ ভাব পোষণ কৰি চলিছিল।

চৰকাৰে অসহযোগ আন্দোলন বাধা দিবলৈ যিমানে পাৰে যত্ন কৰিছিল। দেশত শান্তি নোহোৱা হ'ল। চাৰিউফালে অসহযোগ আন্দোলনত যোগদান কৰা সকলৰ দ্বাৰা কাৰাগাৰ পৰিপূৰ্ণ হৈ পৰিল। ১৯২২ চনত গোটেই ভাৰত জুৰি মহাত্মাৰ অসহযোগ আন্দোলনৰ ফিৰিঙতি বিয়পি পৰিল। পূৰ্ব্বতে উল্লেখ

কৰা হৈছে ডিব্ৰুগড়ত ১৯১৮ চনত ছোৱালীৰ কাৰণে চৰকাৰী ছোৱালী হাইস্কুল প্ৰতিষ্ঠিত হয়। ওখ শ্ৰেণীবোৰত ছাত্ৰীৰ সংখ্যা নগণ্য আছিল। মোক হেমপ্ৰভা বাইদেৱে বৰকৈ স্কুলত শিক্ষকতা কৰিবলৈ ধৰিছিল, কিন্তু মোৰ কাম কৰা নহ'ল।

আই-দেউতাই মোক বিয়া দিয়াৰ কথা বৰকৈ চিন্তা কৰিবলৈ ধৰিলে। মই মনতে স্থিৰ কৰিছিলো দেশৰ সেৱাত আত্মনিয়োগ কৰাৰ বিষয়ে। মদনমোহন মালব্যজী এবাৰ সেই সময়ত ডিব্ৰুগড়লৈ অহাত প্ৰসন্ন বৰুৱাৰ ঘৰত আছিল। বৰুৱাৰ চৌহদত সভা পাতি তেখেতক অভ্যৰ্থনা জনাইছিল। সেই সভাত তিৰোতাৰ ফালৰ পৰা মোৰ হতুৱাই ভুআযা-মান কোৱাইছিল। গ্ৰেজুৱেট তিৰোতা বুলিবলৈ সভাত একমাত্ৰ ময়ে আছিলোঁ। সভাৰ পিচত মালব্যজীয়ে মোক ওচৰলৈ মাতি নি সুধিছিল মোৰ ভবিষ্যত কাৰ্য্যক্ষেত্ৰৰ বিষয়ে কেনেকুৱা ইচ্ছা। মই তেওঁৰ আগত মোৰ বিদ্যাচৰ্চ্চা কৰাৰ বিষয়েই বেছি ইচ্ছা বুলি কলো। তেওঁ মোক কলে, "বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত তোমাক এম এ পঢ়াৰ ঠিক কৰি দিম আৰু তাত তুমি চলিব পৰাকৈ ১৫০ টকাৰ কাম এটাও স্কুলত ঠিক কৰি দিম।" কিন্তু এই কথা শুনি আমাৰ ঘৰৰ কোনেও ভাল নাপালে। এইবাৰ আয়েই দুৰ্ঘোৰ আপত্তি কৰিলেঁ। যথা সময়ত মালব্যজীৰ পৰা টেলিগ্ৰাম আহিল মোৰ কাৰণে ১৫০ টকাৰ কাম ঠিক কৰা হৈছে। মোক সোনকালে বেনাৰসলৈ মাত পঠালে। যদিও মালব্যজীৰ আগত পঢ়িবলৈ যাম বুলি কৈছিলোঁ। টেলিগ্ৰামখন পাই মোৰ মূৰত বজ্ৰ পৰা যেন লাগিল। আই-দেউতাই মোক তেনেকৈ পঢ়িবলৈ যাবলৈ কেতিয়াও স্বেচ্ছাই নিদিয়ে। মই অশান্তিৰ সৃষ্টি কৰি হয়তো যাব পাৰিম। ককাইদেউ সেই সময়ত মাত্ৰ জেলৰ পৰা ওলাই আহিছিল। মোৰ মনত লাগিল, তেওঁ কথাটো শুনিলে ভাল নাপাব। মোক পোন্ধৰ দিনৰ ভিতৰত কামত যোগ দিবলৈ টেলিগ্ৰামত লিখিছিল। আইৰ আগত মই মালব্যজীৰ টেলিগ্ৰামৰ

বিষয়ে কোৱাত আয়ে জিকাৰ খাই উঠিল। আয়ে কলে, আমি তোক বিদেশত তেনেকৈ কাম কৰি পঢ়িবলৈ কেতিয়াও নিদিওঁ। জীৱৰী ছোৱালীয়ে দেশৰ কামত এইদৰে মুকলিমূৰীয়াকৈ সভাসমিতিত যোগদান কৰি ফুৰা কথাটো মোৰ খুব বেয়া লাগিছে। দেউতাৰেও অশান্তি পাইছে মনত। ককায়েৰে এই বিষয়ে আপত্তি নকৰিলেও আমাৰ মনত শান্তি নোহোৱা হৈছে। আমাৰ কৰ্ত্তব্য ছোৱালীক বিয়া দিয়া ; পঢ়াশুনা হ'ল এতিয়া আমি বিয়া দিয়া কথাহে ভাবিছো।" আইৰ কথা শুনি মই বহুত কান্দিলোঁ। কলো, মই বিয়া নকৰাও, দেশৰ কামতে মই নিজক লগাম।

তেতিয়া আয়ে মোৰ আগত ডাক্তৰ জ্যোতিষচন্দ্ৰ দাসৰ কথা কলে। ডাক্তৰ দাস গুৱাহাটীৰ, তেখেতৰ দেউতাকৰ নাম সোণাৰাম ৰাজমেধি। গুৱাহাটীত তেখেত এজন খ্যাতনামা উকীল, নিজৰ নামত সোণাৰাম হাইস্কুল খুলিছিল এতিয়াও সেই স্কুল বৰ্ত্তমান। আয়ে এই সকলোবোৰ কথা আগতে সংগ্ৰহ কৰিছিল। আয়ে মোক কলে, "নবাজন বিলাতলৈ যোৱাৰ আগতে তেওঁত কলিকতাত থাকোতে ডাক্তৰ হৰিকৃষ্ণ দাসৰ লগত আমাৰ ঘৰলৈ আহিছিল, মোক ভৰিত ধৰি সেৱাও কৰিছিল। ইমান শিক্ষিত, ইমান ভদ্ৰ! মই হৰিকৃষ্ণক ধৰিছো ঠিক কৰি দিবলৈ।' হৰিকৃষ্ণ দাস ভিনিদেউৰে আইক মাইদেউ বুলিছিল। আৰু হেমপ্ৰভা বাইদেউৰ মামীয়েক আছিল।

আইৰ কথা শুনি মই বিচূৰ্ত্তি হলোঁ। মই কলিকতাত বি,এ, পঢ়ি থাকোতে স্বৰ্ণ বোসে, (পিচত মিছেচ প্ৰিয় ৰঞ্জন দাসগুপ্ত হৈছিল) ডায়োচেচান কলেজত বি,টি, পঢ়িছিল। মাজেসময়ে ডাক্তৰ দাসে স্বৰ্ণৰ লগত দেখা কৰিবলৈ যোৱা মই জানিছিলো স্বৰ্ণই তেখেতক জ্যোতিষ কাকা বুলিছিল। মাজেসময়ে স্বৰ্ণই মোক মাত্তি ডাক্তৰ দাসৰ কথা কৈছিল আৰু তেখেতৰ লগত মোৰ বিয়া হলে স্বৰ্ণ বৰ সুখী হব বুলি বৰকৈ কৈছিল।

মই স্বৰ্ণৰ সেই কথা শুনিবই নুখুজিছিলো। এদিন মই অলপ উত্তেজিত হৈ কৈছিলো, "তুমি কিয় মোক এইবোৰ কথা কৈ থাকা? মইতো বিয়া নকৰাওঁ তাৰ বাহিৰে ডাক্তৰ দাসে অসমীয়া ছোৱালীৰ পোছাকৰ বিষয়ে কত নিন্দা কৰা শুনিছোঁ তেওঁ বঙালীৰ সমাজতে বেছি প্ৰিয়। ডাক্তৰ দাসে কলিকতা হেয়াৰ স্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰিছিল। কলিকতাৰ কলেজৰ পৰাই আই-এছ-চি, বি-এছ-চি পাছ কৰি মেডিকেল কলেজৰ পৰা ডাক্তৰী পাছ কৰিছিল। ছাত্ৰ জীৱনৰ অধিকাংশ কাল তেওঁ কলিকতাতে কটাইছিল। বঙালী মানুহৰ ভিতৰত তেওঁ বৰ জনাজাত আছিল। বঙালী লোকে তেওঁক বঙালীৰ ভিতৰৰে এজন বুলি ধৰি লৈছিল, আমিও কলেজত পঢ়োতে তেনেকুৱা ধাৰণা তেওঁৰ প্ৰতি কৰিছিলো।

স্বৰ্ণই মই ডাক্তৰ দাসৰ বিষয়ে কোৱা সকলো কথা তেওঁৰ আগত কলে বুলি মোৰ অনুমান হৈছিল। মই বি, এ, পৰীক্ষা দিয়াৰ লগে লগেই ডাক্তৰ দাস বিলাতলৈ যোৱা খবৰ মই স্বৰ্ণৰ পৰা জানিছিলো। মোৰ পৰীক্ষা শেষ হোৱাৰ লগে লগেই মই ডাক্তৰ দাসে মোলৈ জাহাজৰ পৰা দিয়া কেই লাইনমানৰ চিঠি এখন পালো। প্ৰথমেই মোৰ পৰীক্ষাৰ বিষয়ে শুভ কামনা জনাইছিল। তাৰ পিচত তেওঁ মই স্বৰ্ণৰ আগত তেওঁৰ সম্পৰ্কে কোৱা কথাখিনিৰ প্ৰতিবাদ কৰিছিল।

মই পৰীক্ষা দি ঘৰলৈ অহাৰ পিচত সেই চিঠিৰ বিষয়ে আইৰ আগত কৈছিলোঁ। আয়ে মোক কিবাকিবি বহুত কলে। দেউতাই মোক ভালকৈ বুজাই এখন চিঠি দিবলৈ কলে। বহুত দিনৰ মূৰত মই তেনেকৈ তেওঁৰ প্ৰতি মন্তব্য প্ৰকাশ কৰাত দুখ প্ৰকাশ কৰি উত্তৰ দিলোঁ।

তেতিয়াৰেপৰা মাজেসময়ে ডাক্তৰ দাসে বিলাতৰ সমাজ শিক্ষা, প্ৰাকৃতিক সৌন্দৰ্য্য আদি বৰ্ণনা কৰি একোখন চিঠি দিছিল। ময়ো অসহযোগ আন্দোলন আদিৰ বিষয়ে দেশৰ সেই সময়ৰ

অৱস্থা বৰ্ণনা কৰি তেওঁৰ চিঠিৰ উত্তৰ কেতিয়াবা কেতিয়াবা দিছিলোঁ। আমাৰ পৰস্পৰৰ চিঠিপত্ৰৰ আদান-প্ৰদানৰ জৰিয়তে মই ডাক্তৰ দাসৰ বিষয়ে কিছু জানিবলৈ সুবিধা পাইছিলোঁ। তেখেতে তেতিয়ালৈকে কংগ্ৰেছত যোগদান কৰা নাছিল, কিন্তু মোৰ ধাৰণা হৈছিল তেখেত কংগ্ৰেছৰ প্ৰতি বেচ সহানুভূতিশীল আছিল।

আয়ে অতি দুখ মনেৰে মোক কলে যে আই-দেউতাই মৰিবৰ সময়তো শান্তিত প্ৰাণ এৰিব নোৱাৰিব, আমাক যদি বিয়া দি যাব নোৱাৰে। মোৰ ভনী, সুৰবালায়ো পঢ়া শেষ কৰি তেতিয়া ঘৰতে আছিল। কিন্তু তেওঁ কংগ্ৰেছত যোগ দিয়া নাছিল।

আইৰ কথাই মোৰ অন্তৰত বৰ আঘাত দিলে। মালব্য-জীলৈ আইৰ অসুখৰ কাৰণে মই কামত যোগদান কৰিবলৈ অসমৰ্থ বুলি দুখ প্ৰকাশ কৰি চিঠি দিলো আৰু তেওঁৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ডাক্তৰ দাস ১৯২৩ চনত বিলাতৰ পৰা ঘূৰি আহিয়েই গুৱাহাটীত কংগ্ৰেছত যোগদান কৰা কথা মই গম পাইছিলো। ১৯২৩ চনতে গয়া কংগ্ৰেছ হৈছিল। ডিব্ৰুগড়ৰ পৰা ককাইদেউ, ৰজনী কান্ত বৰুৱা, লক্ষেশ্বৰ বৰুৱা আদিয়ে প্ৰতিনিধি হৈ গয়া কংগ্ৰেছলৈ যাবলৈ ওলাল। সেই সময়ত গুৱাহাটীৰ পৰা নবীন চন্দ্ৰ বৰদলৈ ডাঙৰীয়া কিবা কামত ডিব্ৰুগড়লৈ গৈছিল। মোক তেখেতে আগৰে পৰা চিনি পাইছিল, বিশেষকৈ মহাত্মাজীৰ অসহযোগ আন্দোলন আৰম্ভ হবৰে পৰা তেখেতৰ লগত আৰু তেখেতৰ শহুৰেক ৺মালভোগ ৰাম বৰুৱাৰ ঘৰৰ লগত বৰ সংশ্ৰৱ ঘটিছিল। বৰুৱাদেউৰ পুতেক প্ৰসন্ন বৰুৱাহঁতৰ পৰিয়ালৰ লগত মোৰ বৰ ঘনিষ্ঠতা জন্মিছিল। কংগ্ৰেছৰ ডাঙৰ ডাঙৰ নেতাসকল ডিব্ৰুগড়লৈ আহিলে বৰুৱাৰ ঘৰতে ৰখা হৈছিল। প্ৰসন্ন বৰুৱা, তেওঁৰ ভায়েক নৱ বৰুৱাৰ পৰিবাৰৰ লগত মই একেলগে

কংগ্ৰেছৰ কামত ফুৰিছিলো। নবীন বৰদলৈ ডাঙৰীয়াই আমাৰ ঘৰলৈ আহি মোক দেখা কৰি, ককাইদেউক মাতি আনি মোকো গয়া কংগ্ৰেছলৈ ডিব্ৰুগড়ৰ তিৰোতাৰ ফালৰ পৰা প্ৰতিনিধি কৰি নিবলৈ কলে। ককাইদেৱে বোধকৰো ভালেই পালে। আই-দেউতাই মত নিদিব বুলি ভাবি আগতে কথাটো উৎথাপন কৰা নাছিল। নবীন বৰদলৈয়ে আইকো কলে মোক যন যাবলৈ দিয়ে, দেশৰ কামত যোগদান কৰা অতি গৌৰৱৰ কথা ইত্যাদি নানা কথাৰে আইক বুজনি দিলে।